

অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় বুধবাৰ, ১১ অক্টোবৰ, ২০২৩ ২৩ আহিন, ১৯৪৫ শক

# ‘জুলজিকেল ক্লাব’ৰ বক্তৃতানুষ্ঠানত মনোৰোগ বিশেষজ্ঞ অন্নপূৰ্ণা ঠাকুৰীয়া

ডিব্ৰুগড়, ১০ অক্টোবৰ ঃ ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ জুলজিকেল ক্লাবৰ উদ্যোগত ৯ অক্টোবৰত এখনি সজাগতা সভা অনুষ্ঠিত কৰে। সভাত মুখ্য অতিথি হিচাপে অনলাইনৰ জৰিয়তে উপস্থিত থাকে ‘নিচা দুৰীকৰণ আৰু পুনৰ সংস্থাপন কেন্দ্ৰ, শোণিতপুৰ’ৰ মনোৰোগ বিশেষজ্ঞ অন্নপূৰ্ণা ঠাকুৰীয়া। তেওঁৰ বক্তব্যত শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কত মত প্ৰকাশ কৰে। যান্ত্ৰিকতাৰ যুগত ছাত্ৰ-ছাত্ৰীসকলৰ কাউঞ্চেলিং কৰাটো যে অতিকৈ দৰকাৰী সেই বিষয়ে তেওঁ বিশদভাৱে আলোচনা কৰে আৰু ট্ৰ’লফ্ৰী নম্বৰ ১৪৪১৬ৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ কৰিছে। বৰ্তমান সময়ত সামাজিক মাধ্যমে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত পেলোৱা কু-প্ৰভাৱ আৰু ইয়াৰ প্ৰতিকাৰৰ কথা আলোচনা কৰি তেওঁ কয় যে পিতৃ-মাতৃ আৰু শিক্ষকসকলৰ এই ক্ষেত্ৰত বহু কৰণীয় আছে। তেওঁ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সভাত উপস্থিত থকা শিক্ষক-কৰ্মচাৰীসকলৰ লগতো মত-বিনিময় কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু বিষয়বস্তুৰ গুৰুত্বৰ ওপৰত চমু আলোচনা কৰে প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ জ্যোতিমা ফুকনে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে তেওঁৰ বক্তব্যত ৰামায়ণৰ কাহিনীৰ উদাহৰণ দাঙি ধৰি মানসিক স্বাস্থ্যৰ গুৰুত্ব সম্পৰ্কে মত পোষণ কৰে। বিভাগীয় অধ্যাপিকা প্ৰজ্জ্বলি পাতিৰে সমল ব্যক্তিগৰাকীৰ চমু পৰিচয় দাঙি ধৰে। আই কিউ এ চিৰ সমন্বয়ক ড০ যশৱন্ত সিং আৰু ড০ কমলেন্দু শইকীয়ায়ো নিজৰ চমু বক্তব্য দাঙি ধৰে। বিভাগৰ পঞ্চম যাণ্মাসিকৰ ছাত্ৰ সৌৰভ দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটিৰ শলাগৰ শৰাই আগবঢ়াই অধ্যাপিকা দীপশিখা মৰাণে। উল্লেখযোগ্য যে এইবাৰ বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ মূল বিষয়বস্তু আছিল ‘বিশ্ব স্বাস্থ্য হৈছে সাৰ্বজনীন মানৱ অধিকাৰ।’ এইবিষয়বস্তুক লৈ আজি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সজাগতাৰ উদ্দেশ্যে যুৱ প্ৰজন্মৰ মাজত বিশ্ব মানসিক স্বাস্থ্য দিৱস উদ্‌যাপন কৰা পৰিলক্ষিত হয়।